# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-NOV-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১।	অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোত জুবিন গাৰ্গৰ মৃত্যু  সন্দৰ্ভত বিৰোধীয়ে অনা সভা স্থগিত প্ৰস্তাৱত দীঘলীয়া সময়জুৰি আলোচনা।

২।	জুবিন গাৰ্গৰ মৃত্যু পৰিকল্পিত আছিল বুলি সদনৰ মজিয়াত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩।	বিধানসভাৰ প্ৰথম দিনটোতে ন-পুৰণি ১৬ খন বিধেয়কৰ লগতে ৮৩’ৰ নিৰ্বাচনী হিংসাৰ তদন্তৰ বাবে গঠন হোৱা তিৱাৰী আৰু মেহতা আয়োগৰ প্ৰতিবেদন সদনত দাখিল।

৪।	গোৱাৰ পানাজীত অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ-IFFI-ৰ পঞ্চম দিনা আজি দুখন অসমীয়া চলচ্চিত্ৰ প্ৰদৰ্শন।

*আৰু*

৫।	গুৱাহাটী টেষ্টত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ভাৰতীয় দল বিপৰ্যয়ৰ সন্মুখীন। এটা দিন আৰু ৮ উইকেট হাতত থকা অৱস্থাত ভাৰতৰ সন্মুখত ৫২২ ৰানৰ বিশাল লক্ষ্য।

ooooo

অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোত আজি জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু আৰু ইয়াৰ তদন্ত প্ৰক্ৰিয়াক লৈ বিৰোধীয়ে অনা সভা স্থগিত প্ৰস্তাৱত শাসক পক্ষই সমৰ্থন জনায়। এই বিষয়টো লৈ আজি সদনত দীঘলীয়া সময়জুৰি আলোচনা চলে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যু পৰিকল্পিত হত্যাকাণ্ড আছিল বুলি সদনৰ মজিয়াত প্ৰকাশ কৰে। সদনৰ দিনটোৰ কাম-কাজৰ আৰম্ভণিতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বিগত সময়ছোৱাত ৰাজ্যখনত মৃত্যু হোৱা কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে জুবিন গাৰ্গৰ মৃত্যুৰ শোকপ্ৰস্তাৱ পাঠ কৰাৰ লগতে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰে। ইয়াৰ পাছতে কংগ্ৰেছ, এ আই ডি ইউ এফ, ৰাইজৰ দল আৰু চি পি এমে জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত আলোচনা কৰিবলৈ সভা স্থগিত প্ৰস্তাৱ আনে। অসম বিধানসভাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে শাসকীয় পক্ষই বিধানসভাত বিৰোধীয়ে অনা সভা স্থগিত প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সঠিক দিশে আগবঢ়া নাই বুলি অভিযোগ তুলি বিৰোধী ৰাজনৈতিক দলসমূহে জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবী উত্থাপন কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই লগতে জুবিনৰ গাৰ্গৰ মৃত্যু সন্দৰ্ভত চি বি আইৰ তদন্ত দাবী কৰে। ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়েও অনুৰূপ দাবী উত্থাপন কৰি সংবাদ মাধ্যমৰ আগত এইদৰে কয়—

**বাইট (অখিল গগৈ)**

বিধায়কগৰাকীয়ে লগতে জুবিন গাৰ্গক ভাৰতৰত্ন সন্মান প্ৰদানৰ বাবে বিধানসভাত প্ৰস্তাৱ গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীক অনুৰোধ জনায়। বিৰোধী দলসমূহৰ বক্তব্যৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সদনত জুবিন গাৰ্গক পৰিকল্পিতভাৱে হত্যা কৰা হৈছিল আৰু এই হত্যাকাণ্ডত এজন বিশেষ ব্যক্তি জড়িত হৈ আছিল বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰে। সেই ব্যক্তিজনক আন কেইজনমান ব্যক্তিয়ে সহযোগ কৰিছিল বুলিও তেওঁ কয়।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰীয়ে সদনক জনাই যে, অহা ৮ ডিচেম্বৰত জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এছ আই টিয়ে অভিযোগনামা দাখিল কৰিব আৰু চৰকাৰে আদালতত এই গোচৰৰ বিচাৰ প্ৰক্ৰিয়া FAST TRACK COURT ৰ জৰিয়তে কৰিবলৈ অনুৰোধ জনাব। এছ আই টিয়ে বৰ্তমানলৈ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত ২৫২ জনৰ সাক্ষ্য গ্ৰহণ কৰাৰ লগতে ৭ জন লোকক আটক কৰিছে। মুখ্যমন্ত্ৰীয়ে সদনক জনাই যে অসম আৰক্ষীৰ হাতত জুবিন গাৰ্গক যে পৰিকল্পিকভাৱে হত্যা কৰা হৈছিল ইয়াৰ যথেষ্ট প্ৰমাণ আছে আৰু এই প্ৰমাণৰ ভিত্তিতেই আৰক্ষীয়ে আদালতত অভিযুক্ত কেইজনৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ১০৩ নম্বৰ ধাৰা সন্নিবিষ্ট কৰিবলৈ অনুৰোধ জনাইছিল আৰু আদালতে এই অনুৰোধ গ্ৰহণ কৰে। একেটা প্ৰসংগতে মুখ্যমন্ত্ৰীয়ে কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত প্ৰায় ৮ বছৰ পুৰণি তথ্যও সন্নিবিষ্ট হৈছে। সেই অনুসৰি হত্যাৰ পৰিকল্পনা বহু আগতেই আৰম্ভ হৈছিল। প্ৰথমে জুবিন গাৰ্গৰ হত্যাৰ অভিযোগনামা দাখিল কৰা হ'ব। একে সময়তে তদন্তকাৰী দলে গাফিলতি আৰু বিশ্বাস ভংগৰ সম্পৰ্কীয় তদন্ত অব্যাহত ৰাখিব। মুখ্যমন্ত্ৰীৰ বক্তব্যত অসন্তুষ্ট হৈ কংগ্ৰেছ দলৰ বিধায়কসকলে সদন ত্যাগ কৰে।

সদনত বিৰোধী শূন্যভাৱে শাসক পক্ষই ৫ খন নতুন আৰু ১১ খন সংশোধনী বিধেয়ক উত্থাপন কৰে। নতুন বিধেয়কসমূহৰ ভিতৰত ২০২৫ৰ বহু বিবাহ প্ৰতিৰোধ বিধেয়ক, অসম সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ বিধেয়ক, চ্যুকাফা বিশ্ববিদ্যালয়ক বিধেয়ক, অগ্নি আৰু আপাতকালীন সেৱা বিধেয়ক আৰু অসম জিলা ভূমি ন্যায়াধীকৰণ বিধেয়ক আছে। ইয়াৰ উপৰি বিভিন্ন বিভাগৰ বাৰ্ষিক প্ৰতিবেদন আৰু অধ্যাদেশসমূহ দাখিল কৰা হয়।

আনহাতে, অসম চৰকাৰে ১৯৮৩ চনৰ নিৰ্বাচনী হিংসাৰ তদন্তৰ বাবে গঠন কৰা তিৱাৰী আয়োগ আৰু বেচৰকাৰীভাৱে গঠন হোৱা মেহতা আয়োগৰ প্ৰতিবেদন দুখন বিধানসভাত আজি মুখ্যমন্ত্ৰীয়ে দাখিল কৰে।

বিধানসভাৰ বিশেষাধিকাৰ সমিতিয়ে কংগ্ৰেছৰ বিধায়ক নুৰুল হুদা আৰু শ্বেৰমান আলী আহমেদে বিধানসভাৰ উপাধ্যক্ষক বেয়া ব্যৱহাৰ কৰি বক্তব্য ৰখাৰ বাবে দোষী সাব্যস্ত কৰি এই শীতকালীন অধিবেশনৰ বাকী দিন কেইটাৰ কাৰণে তেওঁলোকক বৰ্খাস্ত কৰে। এই সন্দৰ্ভত কংগ্ৰেছে প্ৰতিবাদ কৰি কয়, যে বিশেষাধিকাৰ সমিতিয়ে কোনো তথ্য প্ৰমাণ নোহোৱাকৈয়ে বিধায়ক নুৰুল হুদাক দোষী সাব্যস্ত কৰাটো দলে মানি নলয় আৰু অধ্যক্ষক এই বিষয়ত হস্তক্ষেপ কৰিবলৈ অনুৰোধ জনায়।

০০০০০

গোৱাৰ পানাজীত যোৱা ২০ নৱেম্বৰৰ পৰা অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ-IFFI-ত আজিও কালি প্ৰয়ান ঘটা বলিউডৰ যশস্বী অভিনেতা ধৰ্মেন্দ্ৰৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

মহোৎসৱৰ পঞ্চম দিনা আজি দুখন অসমীয়া চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। আজি বিয়লি ৪ বজাত অ-কাহিনী শাখাত নম্ৰতা দত্ত পৰিচালিত পত্ৰলেখা ছবিখন প্ৰদৰ্শন কৰা হয়। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ এটি গীতক লৈ এছ চলচ্চিত্ৰখন নিৰ্মাণ কৰা হৈছে। ভাৰতীয় পেনোৰামা শিতানত কাহিনী চিত্ৰশাখাত আজি নিশা ৮ বজাত শংশাক সমীৰ পৰিচালিত ভাইমনদা নামৰ জনপ্ৰিয় চলচ্চিত্ৰখন প্ৰদৰ্শন কৰা হ'ব। এইবাৰ এই মহোৎসৱত ভাৰতীয় চলচ্চিত্ৰ জগতৰ কেইবাগৰাকীও পুৰোধালৈ শ্ৰদ্ধাৰ্ঘ্য অৰ্পণ কৰা হৈছে। ভি শান্তাৰাম, গুৰুদত্ত, ঋত্বিক ঘটক, সলীল চৌধুৰী, পি ভানুমতী, ড০ ভূপেন হাজৰিকা আৰু ৰাজ খোচ্‌লাৰ প্ৰতি এইবাৰৰ মহোৎসৱত বিশেষ শ্ৰদ্ধা জ্ঞাপন কৰা হৈছে। সুধাকণ্ঠৰ প্ৰতি শ্ৰদ্ধা জনাই শিল্পীগৰাকীয়ে সংগীত পৰিচালনা কৰা ৰুদালি ছবিখন এইবাৰ বিশেষভাৱে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

এই চলচ্চিত্ৰ মহোৎসৱত দেশ-বিদেশৰ চলচ্চিত্ৰ নিৰ্মাতা, শিল্পী, কলাকুশলী তথা চলচ্চিত্ৰ প্ৰেমীৰ সমাগম ঘটিছে। এইবাৰৰ মহোৎসৱত জাপানক বিশেষ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰ হিচাপে মৰ্যাদা দিয়া হৈছে। তদুপৰি স্পেইন, সহযোগী ৰাষ্ট্ৰ আৰু অষ্ট্ৰেলিয়াক মূল আকৰ্ষণ হিচাপে ৰখা হৈছে। মহোৎসৱত ৮০ খনতকৈও অধিক দেশৰ অতিথি আৰু চলচ্চিত্ৰ নিৰ্মাতাসকলে অংশগ্ৰহণ কৰিছে। আঠ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই মহোৎসৱ ২৮ নৱেম্বৰত সামৰণি পৰিব।

ooooo

ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ নিৰ্দেশ অনুযায়ী ৰাজ্যৰ ভিন্ন প্ৰান্তত আয়োজন কৰা লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক জয়ন্তীৰ একতাৰ পদযাত্ৰাৰ আজি সামৰণি পৰে। শোণিতপুৰ জিলা প্ৰশাসন আৰু **মোৰ ভাৰত** শোণিতপুৰৰ যৌথ উদ্যোগত তেজপুৰত অনুষ্ঠিত একতাৰ পদযাত্ৰাত জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে মুখ্য অতিথি হিচাপে থাকি পদযাত্ৰা মুকলি কৰে।

ধেমাজি জিলা প্ৰশাসনৰ উদ্যোগত চিলাপথাৰৰ চিলা জনজাতি উচ্চতৰ মাধ্যমিক খেলপথাৰত একতাৰ পদযাত্ৰা অনুষ্ঠিত হয়। কাৰ্যসূচীত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, ধেমাজি জিলা আয়ুক্ত ৰাহুল সুৰেশ জাভিৰ উপস্থিতিত অঞ্চলটোৰ কেইবাখনো শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত মৰিয়নিত থকা বাপুজী ষ্টেডিয়ামৰ পৰা পদযাত্ৰা উলিওৱা হয়। পদযাত্ৰাৰ লগতে ৰাষ্ট্ৰীয় একতা দিৱসৰ সৈতে সংগতি ৰাখি গছপুলি ৰোপণ, বিভিন্ন শিক্ষানুষ্ঠানত তৰ্ক, ৰচনা আদি প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

ooooo

তামুলপুৰ জিলা প্ৰশাসন আৰু সমগ্ৰ শিক্ষা তামুলপুৰৰ সহযোগত আজি জিলাখনত ২০২৫-২৬ বৰ্ষৰ বাবে আৰোহণ আঁচনিৰ শুভাৰম্ভ কৰা হয়। এই আঁচনিৰ অধীনত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ফলাফলৰ ভিত্তিত বাছনি কৰি নৱম শ্ৰেণীৰ ৭২গৰাকী ছাত্ৰ-ছাত্ৰী আৰু ৭২ গৰাকী বিশেষ গুৰুৰ মাজত মত-বিনিময় কাৰ্যসূচী গ্ৰহণ কৰা হয়। ইয়াৰ দ্বাৰা তেওঁলোকক কেৰিয়াৰ পৰামৰ্শদানৰ ব্যৱস্থাও কৰা হয়। এই

কাৰ্যসূচীত জিলাখনৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তী, আৰক্ষী অধীক্ষক টাবুৰাম পেগু আৰু বিদ্যালয় পৰিদৰ্শক জেহেৰুল ইছলাম উপস্থিত থাকে। শ্ৰীইছলামে এই কাৰ্যসূচী সন্দৰ্ভত সাংবাদিকৰ আগত এইদৰে কয় -

বাইট (জেহেৰুল ইছলাম)

০০০০০

উত্তৰ পূব সীমান্ত ৰে'লৱেই ঘন কুঁৱলী আৰু প্ৰতিকূল বতৰৰ সময়ত ৰে'ল চলাচল সুৰক্ষিত কৰাৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে। ৰে'লৱে বোৰ্ডৰ নিৰ্দেশনা অনুসৰি ৰে'লৱেই ইয়াৰ ইঞ্জিনসমূহ কুঁৱলীৰ সময়ত দৃশ্যমানতা অটুট ৰাখিব পৰা ব্যৱস্থাৰে সজ্জিত কৰিছে। ইয়াৰ ফলত কুঁৱলীয়ে দৃশ্যমানতা হ্ৰাস কৰাৰ সময়তো বিশেষ সংকেত আৰু প্ৰযুক্তিৰ সহায়ত ইঞ্জিন চালকসকলৰ সহায়ক হ'ব। তদুপৰি প্ৰতিকূল বতৰত সহায় হোৱাকৈ উত্তৰ পূব সীমান্ত ৰে'লৱেই পৰ্যাপ্ত পৰিমাণৰ ডিটনেটৰৰ যোগান মূল ৰে'লপথৰ স্থানসমূহ চিহ্নিত কৰণ, সংকেত উপস্থাপন ফলক আৰু লেভেল ক্ৰছিং গেটসমূহত ৰং কৰাৰ ব্যৱস্থা লৈছে। কম দৃশ্যমানতাৰ সময়ত ৰে'ল চলাচলো নিয়ন্ত্ৰণ কৰাৰ সিদ্ধান্ত লোৱা হৈছে বুলি ৰে'লৱেৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

কটন বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ উদ্যোগত আজি বিশ্ববিদ্যালয়খনত ড০ ভগৱান গোস্বামী স্মাৰক দ্বিতীয় বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বিশ্ববিদ্যালয়খনৰ প্ৰাক্তন মুৰব্বী অধ্যাপক প্ৰয়াত গোস্বামীৰ স্মৃতিত আয়োজিত এই অনুষ্ঠানত নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা বিশিষ্ট সাংবাদিক ড০ সমুদ্ৰ গুপ্ত কাশ্যপে গুৱাহাটীৰ ঐতিহ্য উদযাপন শীৰ্ষক বিষয়ত বক্তৃতা আগবঢ়ায়। অনুষ্ঠানত কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা, ভাৰপ্ৰাপ্ত পঞ্জীয়ক ড০ হিৰেণ ডেকা, ইতিহাস বিভাগৰ মুৰব্বী ড০ অকুণ্ঠিতা বৰঠাকুৰৰ লগতে প্ৰয়াত অধ্যাপকগৰাকীৰ সদস্যসকলে তেওঁৰ জীৱন সম্পৰ্কত আলোকপাত কৰে। অনুষ্ঠানত বিশিষ্ট লেখক ময়ূৰ বৰা, ইতিহাস বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড০ ঋতু থাউছেনৰ লগতে অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ্থীসকল উপস্থিত থাকে।

০০০০০

এগৰাকী সাংবাদিকক ফোনযোগে ভাবুকি দিয়া গোচৰত প্ৰাক্তন আমোলা হিতেশ দেৱ শৰ্মা আজি পাঠশালা থানাত হাজিৰ হয়। বাক্সা জিলাৰ মুছলপুৰৰ নিকাচী কাৰাগাৰৰ বাহিৰত সংঘটিত অপ্ৰীতিকৰ ঘটনা সন্দৰ্ভত বজালীৰ সাংবাদিক ৰাণা ডেকা আৰু পৰিয়ালক ফোনযোগে ভাবুকি দিয়াৰ পাছত সাংবাদিকগৰাকীয়ে হিতেশ দেৱ শৰ্মাৰ বিৰুদ্ধে পাঠশালা থানাত এজাহাৰ দাখিল কৰিছিল। ৰাণা ডেকাৰ এজাহাৰৰ পাছত বজালী আৰক্ষীয়ে দেৱ শৰ্মাৰ গুৱাহাটীৰ ঘৰলৈ গৈ চমন দিছিল। পুৱাৰ ভাগতে পাঠশালা আৰক্ষী থানাত উপস্থিত প্ৰাক্তন আমোলাগৰাকীক বজালীৰ শীৰ্ষ আৰক্ষী বিষয়াই সোধা-পোছা কৰে।

০০০০০

সমাগত ৰাজ্য বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে অহা পহিলা ডিচেম্বৰৰ পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি এক ডিচেম্বৰৰ পৰা পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হ'ব। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰ কৰা হ'ব।

সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি তিনি বাজি পাঁচ মিনিটৰ পৰা তিনি বাজিৰ ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতিনিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে প্ৰতি সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময়ত পাঁচ মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি অহা সোমবাৰৰ পৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

ooooo

গোৱালপাৰা জিলা প্ৰশাসন আৰু কৃষি বিভাগৰ উদ্যোগত আৰু কৃষক মৰ্চাৰ গোৱালপাৰা জিলা সমিতিৰ সহযোগত আজি চহৰখনৰ নটসূৰ্য ফণী শৰ্মা ভৱনত কৃষক সজাগতা সভা অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলে অংশ লোৱা এই সভাত আধুনিক কৃষি পদ্ধতি, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন কৃষক কল্যাণমূলক আঁচনি আদিৰ বিষয়ে আলোচনা কৰা হয়। এই অনুষ্ঠানত বিভিন্ন কৃষিৰ সা-সঁজুলিৰ সুবিধা কৃষকসকলে কিদৰে লাভ কৰিব সেই বিষয়ে অৱগত কৰোৱা হয়।

ooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলিত গুৱাহাটী টেষ্টত ভাৰতীয় দলটো বিপৰ্যয়ৰ গৰাহত পৰিছে। চতুৰ্থ দিনটোত দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছত ৫ উইকেটৰ বিনিময়ত ২৬০ ৰান সংগ্ৰহ কৰি ভাৰতক ৫৪৯ ৰানৰ বিশাল লক্ষ্য বান্ধি দিয়ে। বিপৰীতে ভাৰতে চতুৰ্থ দিনৰ অন্তত ১৫ অভাৰ ৫টা বল খেলি দুটা উইকেট হেৰুৱাই ২৭ ৰান সংগ্ৰহ কৰে। হাতত এটা দিন আৰু ৮ উইকেট থকা অৱস্থাত ৫২২ ৰানত পিছপৰি আছে। গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এছ'চিয়েচনৰ ষ্টেডিয়ামত চলি থকা খেলখনত দক্ষিণ আফ্ৰিকাৰ দ্বিতীয় ইনিংছত ষ্ট্ৰিটান ষ্টাব্‌ছে সৰ্বাধিক ৯৪ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাডেজাই ৪টা আৰু ৱাশ্বিংটন সুন্দৰে এটা উইকেট লাভ কৰে।

ooooo

মৰিগাঁৱৰ প্ৰাক্তন ছাত্ৰ নেতা, সাহিত্যিক, সাংস্কৃতিক কৰ্মী জয়ন্ত কুমাৰ ডেকাৰ আজি দুপৰীয়া গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। সদৌ অসম ছাত্ৰ সন্থাৰ সুদীৰ্ঘ সময় কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আৰু মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি হিচাপে দায়িত্ব নিৰ্বাহ কৰা ডেকাক মৰিগাঁও জিলা সাহিত্য সভাৰ দুটা কাৰ্যকালৰ সম্পাদকৰ দায়িত্বতো আছিল। তেওঁৰ মৃত্যুত মৰিগাঁৱৰ বিভিন্ন দল-সংগঠন আৰু ব্যক্তিবিশেষে গভীৰ শোক প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত